স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 NO-218 WEDNESDAY 15 OCTOBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH

## 'চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক-মানৱতাবাদী হোৱা উচিত'

# কানৈ মহাবিদ্যালয়ত ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত জাহ্নু বৰুৱা

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৪ অক্টোবৰ ঃ 'চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক আৰু মানৱতাবাদী হোৱা উচিত। গঠনমূলক চলচ্চিত্ৰইহে দৰ্শকক সঠিক মাৰ্গ দেখুৱাব পাৰে।' —অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত) গোটৰ উদ্যোগত অষ্টবিংশতিতম্ পণ্ডিতপ্ৰৱৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা পদ্মভূষণ জাহ্নু বৰুৱাই কালি এইদৰে কয়। বক্তৃতাৰ আৰম্ভণিতে বৰুৱাই পণ্ডিতপ্ৰৱৰ ড° যোগীৰাজ বসু আৰু কৃষ্ণকান্ত সন্দিকৈৰ সংস্কৃত পাণ্ডিত্যৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। তেওঁ সংস্কৃতক ১৫ পৃষ্ঠাত



স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ন ☐ VOL-15 ☐ NO-218 ☐ WEDNESDAY 15 OCTOBER 2025 (ডিব্ৰুগড় সংস্কৰণ

## কানৈ মহাবিদ্যালয়ত ড° যোগীৰাজ

এক শক্তিশালী ভাষা বুলি উল্লেখ কৰে আৰু সংস্কৃত ভাষাক মৃত ভাষা বুলি প্ৰচাৰ হোৱাটো এক দুখৰ বিষয় বুলি মত পোষণ কৰে। বৰুৱাই কয়— জীৱন কালত সকলো কাম অতি নিষ্ঠাসহকাৰে কৰি গ'লে তীব্ৰ গতিত আগুৱাই নগ'লেও হয়। মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন আৰু এনচিচিৰ কেডেটে আদৰণি জনাই সভাগৃহলৈ নিয়া সভাখনত তেওঁ কয়— জ্ঞান সকলোৱে আহৰণ কৰে, সেই জ্ঞানক অপব্যৱহাৰ নকৰি সমাজ সংস্কাৰৰ সঠিক মাধ্যম হিচাপে প্ৰয়োগ কৰা উচিত। অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ড° মন্‌মী বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত নৱ প্ৰজন্মক উদ্দেশ্য কৰি তেওঁ কয়— নৱ প্ৰজন্মই নিজৰ আৰ্জিত জ্ঞান সঠিক দিশত ব্যৱহাৰ কৰি সমাজক আগুৱাই নিয়াত সহায় কৰিব পাৰে। আমি যি কৰ্ম কৰোঁ সেই কৰ্মৰ যাতে অপব্যৱহাৰ নহয় তাৰ প্ৰতি সজাগ হোৱা প্ৰয়োজন বুলি মত প্ৰকাশ কৰি কয়— চলচ্চিত্ৰই যাতে সমাজক বিপথে পৰিচালিত কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰখা প্ৰয়োজন। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি প্ৰতিষ্ঠাপক অধ্যক্ষ, প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত ড° যোগীৰাজ বসুক শ্ৰদ্ধাৰে সুঁৱৰি কয় যে 'শিক্ষা মানে কেৱল ডিগ্ৰী নহয়, শিক্ষা মানে চিন্তা কৰাৰ ক্ষমতা', এনে দৰ্শনত বিশ্বাসী মহা মানৱৰ গুণৰে সমৃদ্ধ ব্যক্তি ড° যোগীৰাজ বসুৱে সৃষ্টি কৰি যোৱা, গঢ়ি যোৱা প্ৰতিটো ভৱন, প্ৰতিটো কোঠা, প্ৰতিটো সৃষ্টি, কৰ্মৰাজি আজিও মহাবিদ্যালয়ৰ চৌহদৰ বতাহত ধ্বনিত হৈ আহিছে। বন্তি প্ৰজ্বলন আৰু মঙলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটি উদ্বোধন কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আতিকুদ্দিন আহমেদে প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত ড° যোগীৰাজ বসু, ড° লক্ষ্মী প্ৰসাদ দত্ত, অশ্বিনী চৰণ চৌধুৰী আৰু হনুমান বক্স সুৰজমল কানৈয়ে মহাবিদ্যালয়খনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিক শ্ৰদ্ধাৰে সোঁৱৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত ড° আহমেদে ড° যোগীৰাজ বসু স্মাৰক বক্তৃতাৰ ইতিহাস ৰোমন্থন কৰি উল্লেখ কৰে যে ১৯৮৫ চনত কানৈ কলেজ শিক্ষক গোটৰ সম্পাদক মুনিন শৰ্মাৰ নেতৃত্বত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা আৰু ড° বীৰেন্দ্ৰ নাথ দত্তই প্ৰথমলানি বক্তৃতা প্ৰদান কৰিছিল। অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ড° মধুমিতা পুৰকায়স্থই সভাপতিত্ব কৰা সভাখনিত পৰিচালনা সমিতিৰ সদস্য ড° গোপাল চন্দ্ৰ হাজৰিকা, জ্যোতিপ্ৰসাদ কানৈ, উপাধ্যক্ষ ড° পাৰ্থ গাংগুলি, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈয়ে মননশীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত শিক্ষক গোটৰ তৰফৰ পৰা মুখ্য বক্তা বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আতিকুদ্দিন আহমেদক চেলেং, স্মাৰক, কিতাপৰ টোপোলা, স্থিৰচিত্ৰ আৰু সম্বৰ্ধনা পত্ৰৰে আদৰণি জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ, কানৈ মহাবিদ্যালয়ৰ কেইবাগৰাকী প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন অধ্যাপক-অধ্যাপিকা, ডিব্ৰুগড় চহৰৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মুখ্য বক্তাৰ স'তে এক অন্তৰংগ আলাপ অনুষ্ঠানো অনুষ্ঠিত হয়। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে।

অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে।
ন্যায় প্ৰক্ৰিয়াত অৱহেলা নচলিব', 'কেন্দ্ৰী
তদন্ত কৰক', 'ন্যায় বিচাৰি গ্ৰেপ্তাৰ কৰাস
পৰিৱেশ উত্তাল কৰি তোলে। অৱস্থান ধৰ্মঘট
ঠাকুৰ, নিতুল বৰা, প্ৰবীণ বাঁওপন্থী নেতা
দাস, মহিলা সংঘৰ নেত্ৰী অৱন্তি সন্দিকৈ,
আগবঢ়ায়। নেতৃবৰ্গই জুবিন গাৰ্গৰ মৃত্যুৰ
স্পষ্ট কৰি দিয়ে। যিহেতু সমগ্ৰ ঘটনাপ্ৰবাহ
এই ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ প্ৰয়ো
উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাই সংগঠন
জৰিয়তে কেতবোৰ দাবী উত্থাপন কৰে। জু
পৰ্যায়ৰ কেন্দ্ৰীয় অনুসন্ধান সংস্থাৰ জৰিয়তে ত
ছিংগাপুৰত তদন্তকাৰী সংস্থাই শীঘ্ৰে চৰজমি
খৰতকীয়া কৰা, প্ৰমাণ যাতে নষ্ট কৰিব
সৈতে সাগৰলৈ যোৱা প্ৰত্যেকজন লোক
ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তক
বিভাগ, সংস্থা আৰু প্ৰতিষ্ঠানক তদন্তৰ আ
আয়োজকসকলৰ নাম, অংশগ্ৰহণ কৰা
তালিকা শীঘ্ৰে ৰাজহুৱা কৰা আৰু সকলো
গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি গ্ৰেপ্তাৰবৰণ কৰ
আদি দাবীসমূহ উত্থাপন কৰি মুখ্যমন্ত্ৰীলৈ স

চতুৰ্থ পৃষ্ঠাৰ পৰা

## হাৰাজান ঘূৰিয়াগাঁৱ

মহান শিল্পীগৰাকীৰ মৃত্যুত প্ৰকৃত ন্যায়ৰ
সকলোৱে জুবিন গাৰ্গৰ 'মায়াবিনী ৰাতি
সন্ধিয়া হাৰাজান ঘূৰিয়াগাঁৱৰ প্ৰতিঘৰ লো
শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰে।

## ডিমৌৰ ৰাজমাইত

বিদ্যালয়গৃহত উপস্থিত হৈ লম্পট বুৰ